# আণৱিক শক্তি সীমিতকৰণ চুক্তি
# (Nuclear Non-poliferation Treaty, 1968)

১৯৬৩ চনত যি আংশিক আণৱিক পৰীক্ষা নিযিদ্ধকৰণ চুক্তি স্বাক্ষৰিত হৈছিল, সেই চুক্তিৰ দ্বাৰা আণৱিক শক্তিৰ অধিকাৰী ৰাষ্ট্ৰকেইখনে তেওঁলোকৰ আণৱিক শক্তি অক্ষত অৱস্থাত ৰখাৰ পোষকতা কৰিছিল। তেওঁলোকে এখন ব্যাপক আণৱিক নিযিদ্ধকৰণ চুক্তিত স্বাক্ষৰ কৰাৰ পক্ষপাতি নাছিল। কিন্তু ভাৰত, আয়াৰলেণ্ড আৰু চুইডেন বিশ্বৰ আণৱিক শক্তি অধিকাৰী দেশকেইখনে যাতে নিজৰ আণৱিক শক্তিৰ প্ৰসাৰ আৰু এনে অস্ত্ৰৰ অধিকাৰী যাতে আন কোনো দেশ হ'ব নোৱাৰে তাৰ ওপৰত গুৰুত্ব দিছিল। কিন্তু আণৱিক শক্তি ব্যৱহাৰ সম্পৰ্কে এনে আলোচনা চলি থকাৰ সময়তে চীনে ১৯৬৪ চনত এটম বোমাৰ বিস্ফোৰণ ঘটোৱাত ভাৰতে আণৱিক শক্তি ব্যৱহাৰ সম্পৰ্কীয় নিজৰ দৃষ্টিভংগী সলনি কৰি নিৰাপত্তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। তদুপৰি আণৱিক শক্তিৰ অধিকাৰী নোহোৱা দেশবিলাকেও যাতে আণৱিক শক্তি আহৰণ নাইবা উৎপাদন নকৰে তাৰ কাৰণেও চুক্তিবদ্ধ হোৱাটো বাঞ্ছনীয়।

ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰস্ত্ৰীকৰণ আয়োগক ১৯৬৫ চনৰ জুন মাহত এই সন্দৰ্ভত কেতবোৰ পৰামৰ্শ আগবঢ়াইছিল।

(১) আণৱিক শক্তি অধিকাৰী দেশবিলাকে আন দেশলৈ আণৱিক অস্ত্ৰ বা আণৱিক অস্ত্ৰৰ কৌশল সৰবৰাহ নকৰাত প্ৰতিশ্ৰুতি দিব লাগে।

(২) যিবিলাক দেশ আণৱিক শক্তিৰ অধিকাৰী নহয়, সেইবিলাক দেশৰ বিৰুদ্ধে আণৱিক অস্ত্ৰ ব্যৱহাৰ নকৰাৰ প্ৰতিশ্ৰুতি দিব লাগে।

(৩) যিবিলাক দেশক আণৱিক শক্তি আধিকাৰী দেশ বা আণৱিক শক্তি আহৰণ কৰিব পৰা সামৰ্থ্য থকা দেশে আক্ৰমণ কৰাৰ সম্ভাৱনা থাকে তেনে দেশৰ নিৰাপত্তা ৰাষ্ট্ৰসংঘৰ যোগেদি নিশ্চিত কৰিব লাগে।

(৪) আণৱিক শক্তি অধিকাৰী নোহোৱা দেশবিলাকেও আণৱিক অস্ত্ৰ আহৰণ নাইবা উৎপাদন নকৰাৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগে।

১৯৬৫ চনত ৰাষ্ট্ৰসংঘৰ নিৰস্ত্ৰীকৰণ আয়োগে ১৮ খন দেশৰ নিৰস্ত্ৰীকৰণ সন্মিলন আহ্বান কৰি আণৱিক শক্তি নিযিদ্ধকৰণৰ বিষয়ে এখন চুক্তি বা প্ৰতিজ্ঞাপত্ৰ সম্পাদন কৰিবলৈ আহ্বান জনায়। ইয়াৰ ফলস্বৰূপে প্ৰথমতে আমেৰিকাই আণৱিক অস্ত্ৰ প্ৰসাৰত বাধা দিবৰ কাৰণে ১৯৬৫ চনৰ ১৭ আগষ্টত এখন খচৰা চুক্তি দাখিল আৰু ইয়াৰ পিছত ছোভিয়েট ৰাছিয়ায়ো আণৱিক শক্তি নিযিদ্ধকৰণ বিষয় লৈ এখন খচৰা চুক্তি ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত দাখিল কৰে। অৱশ্যে দুয়োখন চুক্তিৰ ক্ষেত্ৰতে দুয়ো পক্ষৰ মতানৈক্য থকাৰ কাৰণে তাক কাৰ্যকৰী কৰিব নোৱাৰিলে। ইয়াৰ ফলস্বৰূপে, ছোভিয়েট ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী আৰু আমেৰিকাৰ সচিবপ্ৰধানে দুয়ো পক্ষতে গ্ৰহণযোগ্য এটা খচৰা প্ৰস্তাৱ উত্থাপন কৰে। এই খচৰা প্ৰস্তাৱটোত সকলো দেশকে আণৱিক শক্তি পৰীক্ষা নিযিদ্ধকৰণ সম্পৰ্কীয় এখন চুক্তি সম্পাদন

কৰাত যাতে কোনো প্ৰকাৰে বাধা আৰোপ কৰিব নোৱাৰে তাৰ কাৰণে আবেদন জনায়। কাৰণ এনে এখন চুক্তি সম্পাদন কৰাটো আণৱিক শক্তি অধিকাৰী দেশৰ লগতে আণৱিক শক্তি অধিকাৰী নোহোৱা দেশৰ নিৰাপত্তাৰ কাৰণে আৱশ্যক।

১৯৬৭ চনৰ আগষ্ট মাহতো ছোভিয়েট ইউনিয়ন আৰু আমেৰিকাই একে ধৰণৰ এটা খচৰা প্ৰস্তাৱ ১৮ খন দেশৰ নিৰস্ত্ৰীকৰণ সন্মিলনত উত্থাপন কৰিছিল। কিন্তু আণৱিক শক্তিৰ অধিকাৰী নোহোৱা দেশবিলাকে এই খচৰা প্ৰস্তাৱৰ বিৰোধিতা কৰাৰ কাৰণে এই খচৰাৰ সম্পৰ্কত বহুতো সংশোধনী আগবঢ়ায়। আণৱিক শক্তিৰ অধিকাৰী নোহোৱা দেশবিলাকৰ সমালোচনা আৰু পৰামৰ্শৰ পৰিপ্ৰেক্ষিতত আমেৰিকা আৰু ছোভিয়েট ইউনিয়নে এটা সংশোধনী খচৰা প্ৰস্তাৱ ১৮ খন দেশৰ নিৰস্ত্ৰীকৰণ সন্মিলনত পুনৰ দাখিল কৰে। সংশোধিত খচৰাটোত শান্তিৰ উদ্দেশ্যে পৰমাণু শক্তিৰ ব্যৱহাৰ কৰা, শান্তিৰ উদ্দেশ্যে ব্যৱহাৰ কৰা পৰমাণু শক্তিৰ লাভালাভৰ ক্ষেত্ৰত আণৱিক শক্তিৰ অধিকাৰী নোহোৱা দেশক অংশীদাৰ কৰা, নিৰস্ত্ৰীকৰণ বিষয়ে অধিক আলোচনা কৰা, আণৱিক শক্তি মুক্ত অঞ্চলৰ বিধান আদি কৰিছিল। কিন্তু এই সংশোধিত খচৰা প্ৰস্তাৱৰ প্ৰতি ৰাষ্ট্ৰবিলাকৰ সঁহাৰি আশানুৰূপ নোহোৱাৰ কাৰণে আমেৰিকা আৰু ছোভিয়েট ইউনিয়নে যুটীয়াভাৱে ১৯৬৮ চনৰ ১১ মাৰ্চ তাৰিখে এটা খচৰা চুক্তি ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত আলোচনাৰ বাবে উত্থাপন কৰে। এই চুক্তিখনৰ খচৰা বহু তৰ্ক-বিতৰ্কৰ পিছত ১৯৬৮ চনৰ ১২ জুন তাৰিখে গ্ৰহণ কৰে। এই চুক্তিখন একে সময়তে মস্কো, লণ্ডন আৰু ৱাশ্বিংটনেও ১৯৬৮ চনৰ জুলাই মাহত স্বাক্ষৰ কৰে। অৱশ্যে এই চুক্তিখন ১৯৭০ চনৰ মাৰ্চ মাহৰ পৰাহে বলৱৎ হয়।

**আণৱিক শক্তি সীমিতকৰণ চুক্তিৰ বিভিন্ন দফা (Provisions of the Treaty) ঃ** আণৱিক শক্তিৰ পৰীক্ষা সীমিত নিষিদ্ধকৰণ চুক্তিখনত বহুতো দফা আছে আৰু সেই দফাবিলাক হৈছে—

(১) আণৱিক শক্তিৰ অধিকাৰী ৰাষ্ট্ৰকেইখনে প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনো দেশলৈকে আণৱিক অস্ত্ৰ, আণৱিক বিস্ফোৰক সামগ্ৰী বা এনে অস্ত্ৰৰ ওপৰত থকা নিয়ন্ত্ৰণ আন দেশলৈ হস্তান্তৰ কৰিব নোৱাৰিব। সেই অনুপাতে আণৱিক শক্তিৰ অধিকাৰী দেশবিলাকেও আণৱিক শক্তি অধিকাৰী নোহোৱাবিলাকলৈ এনে শক্তি উৎপাদন বা অন্যপ্ৰকাৰে আণৱিক অস্ত্ৰ আহৰণ বা অন্য আণৱিক বিস্ফোৰক সামগ্ৰীৰ কৌশল বা তেনে অস্ত্ৰৰ বা বিস্ফোৰণৰ কৌশল নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কোনো প্ৰকাৰে সহায় বা উৎসাহিত কৰিব নোৱাৰিব।

(২) যিবিলাক আণৱিক শক্তিৰ অধিকাৰী দেশ নহয়, তেওঁলোকে আণৱিক শক্তি দেশবিলাকৰ পৰা আণৱিক অস্ত্ৰ, নাইবা আণৱিক বিস্ফোৰক কৌশল, নাইবা তেনে অস্ত্ৰ বা কৌশল প্ৰত্যক্ষ বা পৰোক্ষভাৱে গ্ৰহণ নকৰিব। তদুপৰি তেওঁলোকে আণৱিক অস্ত্ৰ উৎপাদন বা অন্য উপায়েৰে আহৰণ বা আণৱিক কৌশলৰ কাৰণে কোনো সাহায্য নিবিচাৰিব বা গ্ৰহণ নকৰিব।

(৩) চুক্তিখনে ইয়াৰ সদস্যভুক্ত দেশকেইখনক কোনো বৈষম্য নৰখাকৈ আণৱিক শক্তি শান্তিৰ কাৰণে বিকাশ, গৱেষণা কৰা আৰু উৎপাদন কৰাৰ অধিকাৰ কোনো প্ৰকাৰে ব্যাঘাত

Scanned with CamScanner

নকৰাত চুক্তিত স্বাক্ষৰকাৰী দেশকেইখনে আণৱিক শক্তি শান্তিৰ উদ্দেশ্যে ব্যৱহাৰৰ ক্ষেত্ৰত সা-সঁজুলি, বৈজ্ঞানিক আৰু কাৰিকৰী কৌশল সৰবৰাহ কৰাত অংশগ্ৰহণ কৰিব পাৰিব।

(৪) আণৱিক শক্তি অধিকাৰী নোহোৱা দেশবিলাকে আন্তৰ্জাতিক এট'মিক শক্তি আয়োগৰ লগত চুক্তি কৰি আত্মৰক্ষাৰ কাৰণে আগবঢ়োৱা সাহায্য গ্ৰহণ কৰিব পাৰিব। অৱশ্যে এনে আত্মৰক্ষামূলক সহায্যই ইয়াত অংশগ্ৰহণকাৰী দেশবিলাকৰ অৰ্থনৈতিক বা কাৰিকৰী বিকাশ বা শান্তিপূৰ্ণ কামৰ কাৰণে আণৱিক শক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত যি আন্তৰ্জাতিক সহযোগিতা আছে, তাত বাধাৰ সৃষ্টি কৰিব নোৱাৰিব।

(৫) চুক্তিখনত স্বাক্ষৰকাৰী আণৱিক শক্তিৰ অধিকাৰী ৰাষ্ট্ৰকেইখনে যদি এই শক্তিক শান্তিপূৰ্ণ কামত প্ৰয়োগ কৰি কোনো দিশত উপকৃত হয় তেন্তে তাৰ উপকাৰত অংশৰ সমভাগী আণৱিক শক্তিৰ অধিকাৰী নোহোৱা দেশবিলাকেও হ'ব পাৰিব।

(৬) চুক্তিখন সকলো দেশৰ স্বাক্ষৰৰ কাৰণে মুকলি থাকিব। চুক্তিখন কাৰ্যকৰী কৰাত স্বাক্ষৰকাৰী ৰাষ্ট্ৰবিলাকৰ অনুমোদনৰ ওপৰত নিৰ্ভৰ কৰিব। আন কথাত স্বাক্ষৰকাৰী ৰাষ্ট্ৰবিলাকৰ চৰকাৰে এই চুক্তিত অনুমোদন জনালেহে কাৰ্যকৰী কৰিব পাৰিব।

(৭) যদি স্বাক্ষৰকাৰী ৰাষ্ট্ৰই তেওঁলোকৰ নিজ দেশৰ বিশেষ পৰিস্থিতিৰ কাৰণে চুক্তিখনৰ পৰা ওলাই আহিবলৈ ইচ্ছা কৰে, তেন্তে সেই ৰাষ্ট্ৰখনে চুক্তিত সদস্যপদ ত্যাগ কৰিব পাৰে। অৱশ্যে এই ক্ষেত্ৰত ৰাষ্ট্ৰখনে ইয়াৰ সদস্যভুক্ত ৰাষ্ট্ৰ আৰু নিৰাপত্তা পৰিষদক তিনি মাহৰ আগজাননী দিব লাগে।

(৮) স্বাক্ষৰকাৰী ৰাষ্ট্ৰকেইখনে সোনকালে তেওঁলোকৰ মাজত আণৱিক শক্তি প্ৰতিযোগিতা বন্ধ কৰিবৰ কাৰণে চুক্তিত আবদ্ধ হ'ব পাৰিব।

(৯) স্বাক্ষৰকাৰী ৰাষ্ট্ৰকেইখনে প্ৰয়োজন সাপেক্ষে আণৱিক শক্তি সীমিতকৰণ চুক্তিৰ কোনো দফা সংশোধনৰ কাৰণে প্ৰস্তাৱ দিব পাৰে। চুক্তিখন কাৰ্যকৰী হোৱাৰ ৫ বছৰৰ পিছত চুক্তি স্বাক্ষৰ পক্ষই জেনেভাত এখন সন্মিলন অনুষ্ঠিত কৰি ইয়াৰ পৰ্যালোচনা কৰিব পাৰে।

(১০) চুক্তিখনে ৰাষ্ট্ৰবিলাকক আঞ্চলিক চুক্তিত আৱদ্ধ হোৱাতো বাধা প্ৰদান কৰা নাই। ৰাষ্ট্ৰবিলাকে তেওঁলোকৰ এলেকাত কোনো আণৱিক শক্তিঅধিকাৰী দেশ নাই বুলি চুক্তিত আবদ্ধ হ'ব পাৰে।

(১১) চুক্তিখনৰ আন এটা দফা হ'ল যে স্বাক্ষৰকাৰী ৰাষ্ট্ৰকেইখনে সোনকালে তেওঁলোকৰ মাজত আণৱিক শক্তি প্ৰতিযোগিতা বন্ধ কৰিবৰ কাৰণে চুক্তিত আৱদ্ধ হ'ব পাৰিব। তেওঁলোক আন্তৰ্জাতিক নিয়ন্ত্ৰণৰ অধীনত সাধাৰণ আৰু সম্পূৰ্ণ নিৰস্ত্ৰীকৰণৰ কাৰণেও চুক্তিবদ্ধ হ'ব পাৰিব।

(১২) চুক্তিখনৰ আন এটা উল্লেখযোগ্য দিশ হ'ল যে চুক্তিখন কাৰ্যকৰী হোৱাৰ ২৫ বছৰৰ পিছত স্বাক্ষৰকাৰী দেশবিলাকত এখন সন্মিলন আহ্বান কৰি চুক্তিখন এক অনিৰ্দিষ্ট সময়ৰ কাৰণে বলৱৎ কৰিবলৈ নাইবা ইয়াৰ ম্যাদ এক নিৰ্দিষ্ট সময়ৰ কাৰণে বৃদ্ধি কৰিব, তাৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

Scanned with CamScanner